2026

ASMAC202

# অসমীয়া গদ্য

**Full Marks: 80**

**Time: 3 Hours**

চমু প্ৰশ্নৰ উত্তৰ দিয়া। ১×১০=১০

১। 'চৰ্বিশ তত্ত্বৰ স্তুতি' পাঠটো কাৰ প্ৰশ্ন-উত্তৰৰ মাজেৰে আগবাঢ়িছে?

২। 'এই উলুৱনিত পদ্ম ফুলিছে' কোনে, কাক কৈছে?

৩। 'আভাস' পাঠত উল্লেখ থকা অনুসৰি মাইলছ ব্ৰনছনৰ 'ইংৰাজী আৰু অসমীয়া অভিধান'ত কিমান শব্দ আছে ?

৪। 'শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰ' খন কোনে কালৈ লিখিছে ?

৫। 'ভণ্ডেশ্বৰ বৰুৱা' কি বিদ্যাত অতিকৈ পৈণত আছিল বুলি কোৱা হৈছে ?

৬। 'কেন্দ্ৰসভা' কাৰ ৰচনা?

৭। কৃপাবৰ বৰুৱা বা কৃপাবৰ বৰবৰুৱা লক্ষ্মীনাথ বেজবৰুৱাৰ মানস পুত্ৰ বুলি কোনে মন্তব্য কৰিছিল ?

৮। 'কেলিগোপাল' নাটকত কি ৰসৰ অভিব্যক্তি দেখা যায়?

৯। 'যৌৱনৰ অপচয়' পাঠটো কোনজন ইংৰাজী চিন্তানায়কৰ প্ৰসংগৰে আৰম্ভ হৈছে ?

১০। 'স্বীকাৰোক্তি' কাৰ আত্মজীৱনী ?

চমুটোকা লিখা ( যিকোনো পাঁচটা) ৬×৫=৩০

১১। 'চৰ্বিশ তত্ত্বৰ স্তুতি' পাঠৰ মাজেৰে প্ৰতিফলিত ভক্তিৰ স্বৰূপ।

১২। ভট্টদেৱৰ গদ্য আৰু চৰিত পুথিৰ গদ্য।

১৩। ‘শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰ’ আৰু ‘আভাস’ পাঠৰ মূল দিশ।

১৪। আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ বৈশিষ্ট্য।

১৫। বাণীকান্ত কাকতিৰ সমালোচনামূলক গদ্য।

১৬। ‘তুমিৰ উৎস’ পাঠৰ আধাৰত ‘ব্যক্তি প্ৰেমতকৈ দেশপ্ৰেম মহীয়ান’ বাক্যাশাৰীৰ বিশ্লেষণ।

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা - ১০×৪= ৪০

১৭। গুৰুচৰিত কথাৰ নিৰ্বাচিত পাঠৰ সকলো দিশ সামৰি এটি পৰ্যালোচনা আগবঢ়োৱা।

১৮। হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ গদ্যৰ আধাৰত ‘বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী’ৰ নিৰ্বাচিত পাঠৰ এটি আলোচনা যুগুত কৰা।

১৯। ‘ভাৰত উদ্ধাৰ’ পাঠত অসমীয়া মানুহৰ ‘ভেকুৰ প্লেনৰ’ উল্লেখে অসমীয়া সমাজৰ কোনবোৰ দিশ উন্মোচিত কৰিছে, আলোচনা কৰা।

২০। ‘তুমিৰ উৎস’ আৰু ‘কবিৰ অহৈতুকী প্ৰীতি’ পাঠ দুটাত প্ৰেম ‘উদ্বোধনী প্ৰজ্ঞান বন্তি’ হ’ব পৰাৰ দিশটো সামৰি এটি প্ৰবন্ধ যুগুত কৰা ।

২১। ‘ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচ ভাৱে প্ৰকাশ পায়’ পাঠৰ আধাৰত কৃষ্ণ ৰতিৰ পাঁচটা প্ৰকাৰ খৰচিমাৰি আলোচনা কৰা ।

২২। ‘যৌৱনৰ অপচয়’ পাঠটোত মানুহৰ খন্তেকীয়া আৰু ক্ষণভঙ্গুৰ যৌৱনক কেনেদৰে স্থায়ী কৰিব পাৰি বুলি কৈছে, যুক্তিযুক্ততাৰে আলোচনা কৰা।

****